# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 10-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::::**

অসম বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্তা নেওগে দাখিল কৰা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটক লৈ শাসক-বিৰোধী পক্ষৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এইবাৰৰ বাজেটখন আশানুৰূপ হোৱা নাই বুলি মত প্ৰকাশ কৰে। তেওঁ বাজেটখন জনমুখী নে নিৰ্বাচনমুখী বুলিও প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে হিতাধিকাৰীৰ সৃষ্টিত গুৰুত্ব দিয়াক লৈ অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰীশইকীয়াই পূৰ্বৰ বাজেটৰ বহু প্ৰতিশ্ৰুতি এতিয়াও পূৰণ হোৱা নাই বুলি অভিযোগ কৰে। কংগ্ৰেছ নেতা ৰিপুণ বৰাই আজি দাখিল হোৱা বাজেটখনক আলংকাৰিক আৰু মিছা প্ৰতিশ্ৰুতিৰ সমাহাৰ বুলি অভিযোগ তোলে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে এই বাজেটখনক নিৰ্বাচনমুখী বাজেট বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ হ্ৰাস পোৱা বুলি অভিযোগ কৰে। বিধায়কগৰাকীয়ে আজি বাজেটত ৰাজ্য চৰকাৰে নিজাববীয়াকৈ এটা কৃত্ৰিম উপগ্ৰহ স্থাপনৰ  সিদ্ধান্তৰো সমালোচনা কৰে।

ইপিনে, এইবেলিৰ বাজেটখনে জনসাধাৰণৰ জীৱন যাত্ৰা সহজ কৰি ৰাজ্যখনৰ উন্নয়নক নতুন গতি দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি এখন সংবাদমেল সম্বোধন কৰি কয়, যে ২০১৫ চনৰ পৰা ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ তুলনাত বৃদ্ধি পাইছে। আজি দাখিল কৰা বাজেট অনুসৰি অসম কম পৰিমাণে ঋণ গ্ৰহণ কৰা দেশৰ ৫ খন ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে এখন জনমুখী বাজেট উত্থাপন কৰাৰ বাবে বিত্তমন্ত্ৰীগৰাকীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে।

ৰাজ্যখনৰ পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাজেটত ৰাজহ শিতানত এক লাখ ১৭ হাজাৰ ২২৫ দশমিক ৯-৬ কোটি টকা আৰু মূলধনী শিতানত ৩৮ হাজাৰ ৭৫৯ দশমিক ১-৮ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। বাজেটত নতুন কোনো কৰ আৰোপৰ প্ৰস্তাৱ দিয়া হোৱা নাই। ২০২৫-২৬ বিত্তীয় বছৰৰ সামৰণিত ৰাজ্যখনৰ বাজেট ঘাটিৰ পৰিমাণ ৬২০ কোটি ২৭ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০

ৰাজ্যৰ খাদ্য সুৰক্ষা আয়োগৰ উদ্যোগত বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগানৰ চাহ শ্ৰমিকসকলৰ বাবে আজি বাগানত কীটনাশক দ্ৰব্যৰ সঠিক প্ৰয়োগ সন্দৰ্ভত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। জিলাখনৰ জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া জয়ন্ত কুমাৰ দাসৰ সভাপতিত্বত আয়োজিত এই সজাগতা সভাত বঙাইগাওঁ উদ্যোগ কেন্দ্ৰৰ সহকাৰী সঞ্চালক আৰু চাহ বাগানখনৰ পৰিচালককে ধৰি কেইবাগৰাকী সমল ব্যক্তিয়ে চাহ শ্ৰমিকসকলক কীটনাশক দ্ৰব্য প্ৰয়োগ কৰাৰ সঠিক নিয়মসমূহৰ বিষয়ে বাখ্যা কৰে। এই সভাত চাহ শ্ৰমিকৰ উপৰি বাগানত কৰ্মৰত অন্যান্য কৰ্মচাৰীসকলো  উপস্থিত থাকে।

০০০০

তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ সৌজন্যত জিলা কৃষি কাৰ্যালয় প্ৰাঙ্গনত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। জিলা অতিৰিক্ত আয়ুক্ত চিন্ময় পাঠকে কৃষক মেলা আৰু কাৰ্যালয়ৰ প্ৰৱেশ দুৱাৰ মুকলি কৰে। জিলাখনৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ সৈতে জড়িত বিভিন্ন স্থানৰ কৃষকসকলে আজি ভিন ভিন কৃষি প্ৰণালী প্ৰদৰ্শন কৰে। তদুপৰি কৃষকসকলৰ বিভিন্ন সমস্যা, উন্নত মানৰ কৃষি পদ্ধতি সন্দৰ্ভত বিজ্ঞানী আৰু কৃষকসকলৰ মাজত মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানতে ছগৰাকী প্ৰতিষ্ঠিত কৃষকক সম্বৰ্ধনা জনোৱা হয়।

০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আজি বঙাইগাঁও চহৰত বৈজ্ঞানিক পৰামৰ্শদাতা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত কৃষি বিজ্ঞান কেন্দ্ৰই বিগত বৰ্ষত কৰা কৃষি আৰু পশুপালন সম্পৰ্কীয় কাম-কাজৰ পৰ্যালোচনা কৰাৰ উপৰি নতুন বছৰৰ কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰা হয়। বঙাইগাঁও জিলা কৃষি বিভাগৰ সহকাৰী সঞ্চালক আৰু পশু চিকিৎসা বিভাগৰ সমল সঞ্চালকে কৃষক আৰু উদ্যমীসকল উপকৃত হ'ব পৰা কৃষি পদ্ধতিৰ বিষয়ত সজাগতা সৃষ্টিৰ বাবে কাৰ্যসূচী ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত যোৰহাট অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা পৰিচালক ডঃ মনোৰঞ্জন নেওগৰ উপৰি কেইবাগৰাকী জ্যেষ্ঠ কৃষি বিজ্ঞানী উপস্থিত থাকে।

০০০০

অসমৰ অন্যতম জনগোষ্ঠী সোণোৱাল কছাৰীসকলে আজি খ্ৰীং খ্ৰীং বাইথ' পূজা পালন কৰে। ধৰ্মীয় পৰম্পৰা, লোক বিশ্বাস আৰু ৰীতি-নীতিৰে জনগোষ্ঠীটোৰ লোকসকলে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজা পালন কৰে। ধেমাজি জিলাৰ বিভিন্ন স্থানত জনগোষ্ঠীটোৰ ৰাইজে আজি এই পূজাৰ জৰিয়তে আৰাধ্য দেৱতাৰ উপাসনা কৰে। জিলাখনৰ ডেকাপাম, উদয়পুৰ, চেৰেঙ সোণোৱাল আৰু নাহৰণি গাঁৱৰ ৰাইজে আজি পুৱাৰ ভাগত পূজা-অৰ্চনা কৰাৰ লগতে সোণোৱালসকলৰ বাইথ' সংস্কৃতি সম্পৰ্কত এখন আলোচনা চক্ৰও অনুষ্ঠিত কৰে। কাইলৈ পুৱাৰ ভাগত সোণোৱাল কছাৰীসকলৰ নৱবৰ্ষৰ প্ৰথম দিন উপলক্ষে বিহু নমোৱা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰীতিভোজৰ আয়োজন কৰা হ'ব।

০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা জিলা ক্ৰীড়া সন্থাৰ সহযোগত গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰা ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত উত্তৰ-পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাই - গ্লোৰেল ফুটবল ক্লাৱক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। উত্তৰ-পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাৰ প্ৰান্বিক ঘিছিঙক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। দ্বিতীয়খন ছেমিফাইনেলত কাইলৈ নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ-শ্বিলং লাজং ফুটবল ক্লাৱৰ মুখামুখি হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ